প্ৰতি,

সম্পাদক মহোদয়

সম্ভাষণ গ্ৰহণ কৰিব।

অনুগ্ৰহ কৰি নিম্ন লিখিত বাতৰিটো আপোনাৰ বহুমূলীয়া কাকতযোগে প্ৰকাশ কৰি বাধিত কৰিব।

প্ৰেৰক--

শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ সমাজ

## জনগোষ্ঠীয় যুৱ শিল্পীক লৈ অংকীয়া নাটেৰে শ্ৰীশ্ৰীমাধৱদেৱ কলাক্ষেত্ৰৰ অনন্য প্ৰয়াস

## লেটেকুপুখুৰীত সমন্বয়ৰ এনিশা

**গুৱাহাটী, ১৭ মাৰ্চ ঃ** ৰাম বিজয়-- বিভিন্ন সময়ত পৰিৱেশন হৈ অহা এই অংকীয়া নাটখনেই কালি নিশা ঐতিহ্যমণ্ডিত লেটেকুপুখুৰীত অনন্য ৰূপত উদ্ভাষিত হৈ পৰিল। মূলতঃ জনগোষ্ঠীয় শিল্পী-কলা কুশলীক লৈ পৰিৱেশিত ব্ৰজাৱলী ভাষাৰ নাটখনৰ মাধ্যমেৰে আক্ষৰিক অৰ্থতে প্ৰতিফলন ঘটিল শ্ৰীমন্ত শংকৰদেৱৰ মহান আদৰ্শৰ বৃহত্তৰ অসমীয়া সমাজখন। গুৰুজনাৰ প্ৰধান শিষ্য মাধৱদেৱৰ জন্মস্থানত জনগোষ্ঠীয় শিল্পীসকলৰ এই সত্ৰীয়া নিবেদনে অভিনৱ ৰূপত এখন ভেদাভেদহীন সমাজৰ অমৃতবাৰ্তাৰে আপ্লুত কৰিলে অগণন দৰ্শকক। উল্লেখনীয় যে শ্ৰীশ্ৰীমাধৱদেৱ কলাক্ষেত্ৰৰ উদ্যোগত প্ৰথমবাৰৰ বাবে জনগোষ্ঠীয় শিল্পী-প্ৰশিক্ষাৰ্থীসকলক লৈ এমহীয়া এক সাংস্কৃতিক কৰ্মশালাৰ আয়োজন কৰা হৈছিল। কৰ্মশালাখনৰ জৰিয়তে সত্ৰীয়া সংগীত, গায়ন-বায়ন আৰু অংকীয়া ভাওনা বিষয়ত প্ৰশিক্ষণ আগবঢ়োৱা হৈছিল। কৰ্মশালাত বৃহত্তৰ বৰ নাৰায়ণপুৰৰ লগতে বিশ্বনাথ, মাজুলী আৰু লখিমপুৰ জিলাৰপৰাও অহা দুকুৰিৰো অধিক জনগোষ্ঠীয় যুৱ শিল্পীয়ে অংশগ্ৰহণ কৰে। সত্ৰীয়া সংস্কৃতিৰ প্ৰতি পৰম শ্ৰদ্ধাশীল হ'লেও বাস্তৱ ক্ষেত্ৰত কোনোদিনে খোলত হাত বুলাই নোপোৱা, দৰ্শকৰ ৰূপত ভাওনা উপভোগৰ অভিজ্ঞতা থাকিলেও ব্ৰজাৱলী ভাষাৰ অংকীয়া নাটত নিজে ভাগ লৈ নোপোৱা এইসকল যুৱ শিল্পীয়েই কালি নিশা 'ৰাম বিজয়'ৰ মাধ্যমেৰে আকৌ এবাৰ প্ৰতিপন্ন কৰিলে যে সংস্কৃতি সদায়ে সাৰ্বজনীন। পৰম উদাৰতাৰে সংস্কৃতিয়ে মানুহক চপাই আনে মানুহৰ নিচেই কাষলৈ। জীৱনক জুখি চোৱাৰ, জীৱনৰ অৰ্থ অনুধাৱন কৰাৰ সুযোগ দিয়ে সংস্কৃতিয়ে। এই সত্যক মৰ্মে মৰ্মে উপলব্ধি কৰিয়েই অংকীয়া নাটখনক প্ৰাণৱন্ত কৰি তোলে প্ৰত্যন্ত গ্ৰাম্যাঞ্চলৰ প্ৰতিভাসম্পন্ন যুৱ শিল্পীসকলে। সেয়েতো জনগোষ্ঠীয় শিল্পীৰ পৰশত বাংময় হৈ পৰা গায়ন-বায়নৰ তালে তালে পৰিশীলিত ভংগীত ভাৱৰীয়াৰ প্ৰৱেশ-প্ৰস্থান, বিলাপ-পয়াৰেৰে সঁচা অৰ্থতে মায়াসনা হৈ পৰিলে লেটেকুপুখুৰীৰ নিশাটি। জনগোষ্ঠীয় শিল্পীসকলৰ মুখত ব্ৰজাৱলী ভাষাৰ নিখুঁট আৰু সাৱলীল বচন, দুৰন্ত অভিনয়শৈলী, সত্ৰীয়া ব্যাকৰণেৰে সমৃদ্ধ শৰীৰী ভংগী আদিয়ে অনুপম ৰূপ প্ৰদান কৰে "ৰাম বিজয়" নাটখনক। ভাৱৰীয়া আৰু কলা-কুশলীৰ ৰূপত প্ৰতিগৰাকী শিল্পীয়ে আত্মপ্ৰকাশ কৰে বিভেদহীন সমাজৰ জীৱন্ত প্ৰতিনিধিৰ ৰূপত। নৱ প্ৰজন্মৰ এইদল শিল্পীয়ে প্ৰচণ্ড প্ৰতিভাৰে দৰ্শকক আপ্লুত কৰাৰ সমান্তৰালকৈ যেন এই অমোঘ বাৰ্তাও কঢ়িয়াই নিয়ে--এনে এখন সমাজ গঢ়াৰ সপোন বুকুত বান্ধিয়েই আমি মহাপুৰুষে দেখুৱাই যোৱা

বাটেৰে আগুৱাই আহিছোঁ। বৃহৎ সংখ্যক দৰ্শকে বিপুল জয়ধ্বনি আৰু কৰতালিৰে জনগোষ্ঠীয় শিল্পীসকলৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰি এখন আদৰ্শ সমাজ গঠনৰ প্ৰয়াসৰ প্ৰতি সহমৰ্মিতা প্ৰকাশ কৰে। লক্ষণীয়ভাৱে অংকীয়া ভাওনাখনত ভাগ লোৱা গৰিষ্ঠসংখ্যক শিল্পীৰ বাবে অভিনয়ৰ পৃথিৱীত এয়া আছিল অভিষেক। অথচ প্ৰথমটো খোজৰপৰাই স্বচ্ছন্দ আছিল প্ৰতিগৰাকী শিল্পী। সূত্ৰধাৰীৰ ৰূপত মহাদেৱ দত্তৰপৰা ৰাম-লক্ষ্মণৰ চৰিত্ৰত ক্ৰমে দ্বিগবিজয় লাগাছু আৰু মনজিৎ সোণোৱাললৈ অথবা গাল্লৰৰ ভূমিকাত কেশৱ ছেত্ৰীৰপৰা জনকৰ ৰূপত পংকজ দেওধাই ফুকনলৈ প্ৰতিগৰাকী যুৱ শিল্পীয়ে ভিন ভিন জনগোষ্ঠীক প্ৰতিনিধিত্ব কৰি অংকীয়া নাটখনক অভিনৱ ৰূপ দিছিল। মিছিং, সোণাৱাল কছাৰী, কোচ ৰাজবংশী, কৈৱৰ্ত, চুতীয়া, খামতি ইত্যাদি--কোন নাছিল এইখন অসমীয়া সমাজত। চমুকৈ ক'বলৈ গ'লে মহাপুৰুষৰ স্মৃতিধন্য লেটেকুপুখুৰীত এইদৰেই সূচনা হ'ল এক প্ৰত্যয়পূৰ্ণ যাত্ৰাৰ। মাত্ৰ এমহীয়া প্ৰশিক্ষণেৰে গ্ৰাম্য শিল্পীৰ বৃহৎ দলটোক সাজু কৰি তোলাৰ বাবে সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ সত্ৰীয়া প্ৰশিক্ষক জনাৰ্দন ভূঞাৰ সদক্ষ নেতৃত্বত যুৱ শিল্পীসকলক প্ৰশিক্ষণ প্ৰদান কৰা নাৰায়ণপুৰৰ শ্ৰীশ্ৰীবদলা সত্ৰৰ প্ৰশিক্ষকসকল নিঃসন্দেহে সাধুবাদৰ পাত্ৰ। লক্ষণীয়ভাৱে মুঠ ১৫টা জনগোষ্ঠীক প্ৰতিনিধিত্ব কৰা শিল্পীসকলে অংকীয়া ভাওনাখনত ভাগ লয়। এই দৃষ্টিকোণৰপৰা ৰাজ্যত এয়া প্ৰথম প্ৰয়াস বুলি বিবেচিত হৈছে। শ্ৰীশ্ৰীমাধৱদেৱ কলাক্ষেত্ৰৰ উদ্যোগত অনাগত সময়তো অনুৰূপ মহান কাৰ্যসূচী ৰূপায়ণে সমাজক আলোকময় পথৰ সন্ধান দিব বুলি আশা কৰা গৈছে। কালি নিশা অভিনৱ পৰিৱেশত “ৰাম বিজয়”ৰ ৰসাস্বাদন কৰা কেইগৰাকী সত্ৰাধিকাৰ, জ্যেষ্ঠ সত্ৰীয়া শিল্পী, ভাওনাৰ সৈতে জড়িত বিশিষ্ট ব্যক্তি, ৰাজনীতিবিদকে ধৰি বিদ্বৎ সমাজেও তেনে আশাৰ কথাকে ব্যক্ত কৰে। এই প্ৰসংগত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ সচিব সুদৰ্শন ঠাকুৰে প্ৰকাশ কৰা অনুভৱে সামগ্ৰিকভাৱে বিদ্বৎ সমাজখনৰে বাৰ্তা বহন কৰিছে। বিভিন্ন জনগোষ্ঠীক সামৰি গ্ৰহণ কৰা সেই মহান কাৰ্যসূচীয়ে অভিভূত কৰা বুলি মন্তব্য কৰি সচিবগৰাকীয়ে কয়-- দুয়োগৰাকী মহাপুৰুষৰ লগতে আতা পুৰুষসকলৰ প্ৰতি যথোচিত শ্ৰদ্ধা প্ৰদৰ্শনেৰে শ্ৰীশ্ৰীমাধৱদেৱ কলাক্ষেত্ৰৰ উদ্যোগত ৰূপায়ণ হোৱা এনে ধৰণৰ মহৎ কাৰ্যসূচীয়ে যুৱ প্ৰজন্মক মহাপুৰুষৰ সৃষ্টিৰাজিৰে সৈতে একাত্ম কৰি এখন সুস্থ সমাজ তথা শক্তিশালী ৰাজ্য গঠনত নিঃসন্দেহে অৰিহণা আগবঢ়াই যাব।